**গুৱাহাটী, ৩ জানুৱাৰী ঃ** আৰক্ষীৰ বিশেষ শাখাৰ কাম-কাজত প্ৰদৰ্শন কৰা অসাধাৰণ পাৰদৰ্শিতা তথা দক্ষতাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে অসমৰ চাৰিগৰাকী আৰক্ষীৰ লোকক ২০১৯ বৰ্ষৰ “অসাধাৰণ আসূচনা কুশলতা পদক” (Asadharan Aasuchana Kusalata Padak)ৰ বাবে বাচনি কৰিছে। এই পদকৰ বাবে বাচনিভুক্ত হৈ অসম আৰক্ষীলৈ গৌৰৱ কঢ়িয়াই অনা আৰক্ষীৰ লোককেইজন হ’ল অসম আৰক্ষীৰ বিশেষ শাখাত কৰ্মৰত উপ-পৰিদৰ্শক মনালিচা ৰাজকুমাৰী, উপ-পৰিদৰ্শক ইন্দ্ৰজিৎ বসুমতাৰী, সহঃ উপ-পৰিদৰ্শক শৰৎ চন্দ্ৰ বৰ্মন আৰু ডিমা-হাচাও আৰক্ষী অধীক্ষকৰ কাৰ্য্যালয়ৰ ‘চাইবাৰ কোষ’ত কৰ্মৰত হাবিলদাৰ বাহাৰুল ইছলাম বৰভূঞা। কেন্দ্ৰীয় গৃহ সচিব অজয় ভাল্লাই চাৰিওগৰাকী আৰক্ষীৰ লোকলৈ পৃথকে পৃথকে প্ৰেৰণ কৰা এক পত্ৰযোগে এই কথা জানিবলৈ দি তেওঁলোকক অভিনন্দন জ্ঞাপন কৰে।

**চি পি আৰ অ’**